জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪৯/২০২৩**

# নৱনিৰ্মিত শ্ৰম ভৱন শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে শ্ৰমিকৰ অনুজ্ঞাপত্ৰৰ স্বয়ংক্ৰিয় পঞ্জীয়ন ব্যৱস্থা

## শ্ৰমিক আৰু ব্যৱসায়ী উভয়ৰে স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ৰাজ্য চৰকাৰ সক্ষম হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ উলুবাৰীত নৱনিৰ্মিত শ্ৰম ভৱনৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বিভাগটোৰ স্বয়ংক্ৰিয় পঞ্জীয়ন আৰু নৱীকৰণ ব্যৱস্থাটোৰ শুভাৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নৱনিৰ্মিত এই শ্ৰম ভৱনটোৱে শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ গতিশীলতা বৃদ্ধি কৰাৰ লগতে অধিক জনমুখী সেৱা প্ৰদান কৰিবলৈ সক্ষম হ'ব। তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ই-অফিচ ব্যৱস্থা অধিক শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু উপায়ুক্তৰ কাৰ্যালয়, সঞ্চালকালয়ৰ কাৰ্যালয় আৰু অসম সচিবালয়ক সম্পূৰ্ণভাৱে কাগজ বিহীন কাৰ্যালয়লৈ ৰূপান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰি কয় যে শ্ৰম কাৰ্যালয়ক ই-অফিচেৰে সামৰি লোৱাৰ পিছত পৰৱৰ্তী পৰ্যায়ত জিলা পৰ্যায়ৰ কাৰ্যালয়সমূহো ডিজিটেল ব্যৱস্থাৰে সামৰি লোৱাৰ বাবে প্ৰয়াস চলাব লাগিব। অসম সচিবালয় বৰ্তমান সময়ত ৯৯ শতাংশ কাগজ বিহীন কাৰ্যালয়লৈ ৰূপান্তৰিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিভাগীয় অনুসন্ধানৰ বাহিৰে অন্য সকলো ধৰণৰ কাম-কাজ ইলেকট্ৰনিক মাধ্যমেৰে কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

শ্ৰম আয়ুক্তৰ কাম শ্ৰমিক সকলৰ সুৰক্ষা প্ৰদান কৰা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেনে সুৰক্ষা প্ৰদান কৰাৰ বাবে বৰ্তমান ভাৰতবৰ্ষত ২৪ খন আইন বলবৎ হৈ আছে। তেওঁ কয় যে সমগ্ৰ শ্ৰমিকৰ কল্যাণৰ বাবে শ্ৰম আয়ুক্তৰ কাৰ্যালয়ে কাম কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ব্যৱসায়-বাণিজ্য, উদ্যোগ আদি দিশতো শ্ৰম আয়ুক্তৰ কাৰ্যালয়ৰ এক বৃহৎ দায়িত্ব আহি পৰে। শ্ৰমিকৰ কল্যাণৰ বাবে কাম কৰাৰ লগতে উদ্যোগ আৰু ব্যৱসায়-বাণিজ্যৰ কাম-কাজৰ ক্ষেত্ৰতো যাতে কোনো জটিলতা আহিব নোৱাৰে সেই দিশতো লক্ষ্য ৰখাটো শ্ৰম আয়ুক্তৰ কাৰ্যালয় অন্যতম এক লক্ষ্য বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে 'ইজ অৱ ডুৱিং বিজনেছ'ৰ জৰিয়তে শ্ৰমিকৰ স্বাৰ্থৰ লগতে উদ্যোগ খণ্ডৰ বিকাশৰ বাবেও ৰাজ্য চৰকাৰে কাম কৰি আহিছে। যোৱা বিধান সভাত প্ৰায়বোৰ শ্ৰমিক আইনৰ সংশোধন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সেই সংশোধনৰ ফলত শ্ৰমিক আৰু ব্যৱসায়ী উভয়ৰে স্বাৰ্থ সুৰক্ষিত কৰিবলৈ ৰাজ্য চৰকাৰ সক্ষম হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে ডিজিটেলাইজেশ্যনৰ লগতে অট'মেশ্যনৰ ওপৰতো ৰাজ্য চৰকাৰে গুৰুত্ব

আৰোপ কৰিছে। অট'মেশ্যনৰ জৰিয়তে পৰিবহন বিভাগত যথেষ্ট সফলতা লাভ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰৱৰ্তী পৰ্যায়ত পৌৰ সভাসমূহত এই ব্যৱস্থাৰ প্ৰয়োগ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি শ্ৰম আয়ুক্তৰ কাৰ্যালয়ত সূচনা কৰা স্বয়ক্ৰিয় ব্যৱস্থাটোৱে আৱেদন নিষ্পত্তি কৰাৰ দিশত দ্ৰুত ফলাফল কঢ়িয়াই আনিব।

আজিৰ এই অনুষ্ঠানত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়ক তেৰচ গোৱালা, শ্ৰম বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, লোকনিৰ্মাণ (গৃহ) বিভাগৰ বিশেষ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তী তথা ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াবৰ্গ আৰু বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**হেঃশঃ**
**২৫/৩/২০২৩**